# মুখ্য সংকল্পসমূহ

কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ
লোকসভা নিৰ্বাচন
২০১৯

## 1 দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ ন্যূনতম আয়ৰ নিশ্চয়তা বা ন্যূনতম আয় যোজনা (NYAY)

সকলো ভাৰতীয়ৰ বাবে এটা মৰ্য্যদাপূৰ্ণ জীৱন সুনিশ্চিত কৰিবলৈ কংগ্ৰেছে ন্যূনতম আয় যোজনাৰ (NYAY) শুভাৰম্ভ কৰিব। যাৰ অধীনত ভাৰতৰ ২০ শতাংশ দৰিদ্ৰতম পৰিয়াললৈ প্ৰতি বছৰে ৭২,000/- টকা হস্তান্তৰ কৰা হ'ব। যিমানদূৰ সম্ভৱ, সংশ্লিষ্ট পৰিয়ালৰ মহিলাগৰাকীৰ বেংক একাউন্টলৈ এই ধনৰাশি হস্তান্তৰ কৰা হ'ব।

## 2 কৰ্মসংস্থাপন বিপ্লৱ

ৰাজহুৱা আৰু ব্যক্তিগত এই দুয়োটা খণ্ডতে অধিক কৰ্মসংস্থাপন সৃষ্টি কৰাটোক নিজৰ প্ৰথম অগ্ৰাধিকাৰ কৰি তুলিব বুলি কংগ্ৰেছে দেশৰ যুৱশক্তিক প্ৰতিশ্ৰুতি দিছে। তলত দিয়া উপায়সমূহেৰে আমি ৰাজহুৱা খণ্ডত ৩৪ লাখ কৰ্মসংস্থাপন সৃষ্টি কৰাটো সুনিশ্চিত কৰিমঃ

i. ২০২০ চনৰ মাৰ্চ মাহৰ আগতে কেন্দ্ৰীয় চৰকাৰত খালী হৈ থকা ৪ লাখ পদৰ আটাইবোৰ পদ পূৰণ কৰা হ'ব।
ii. ৰাজ্য চৰকাৰসমূহক খালী হৈ থকা ২০ লাখ পদ পূৰণ কৰিবলৈ সৈমান কৰোৱা হ'ব।
iii. প্ৰতিখন গাঁও পঞ্চায়ত আৰু নগৰৰ নিগম-নিকায়সমূহত প্ৰায় ১০ লাখ নতুন সেৱা মিত্ৰ পদ সৃষ্টি কৰা হ'ব।

ব্যক্তিগত খণ্ডত কৰ্মসংস্থাপন সৃষ্টি কৰাৰ ক্ষেত্ৰতো আমি অনুপ্ৰেৰণা দিম তলত দিয়া উপায়সমূহেৰেঃ

i. কৰ্মসংস্থাপন সৃষ্টি কৰা আৰু অধিকতৰ মহিলাক নিযুক্তি দিব পৰা ব্যৱসায় গোটক উৎসাহিত আৰু পুৰস্কৃত কৰা হ'ব।
ii. এশৰো অধিক কৰ্মচাৰী থকা ব্যৱসায় গোটৰ বাবে এটা শিক্ষানবিচ কাৰ্য্যসূচী কাৰ্য্যৰূপায়িত কৰাটো প্ৰয়োজনীয় কৰি তুলিম।

## 3 কৃষক আৰু কৃষিপামৰ শ্ৰমিক

কৃষকসকলক "ঋণ মাফ"ৰ পৰা "ঋণ মুক্তি"ৰ পথেৰে আগবঢ়াই নিব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। এই কাম কৰা হ'ব লাভজনক মূল্য প্ৰদান, ইনপুট ব্যয় নিম্নতম, যিকোনা বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ পাব পৰা ব্যৱস্থা সুনিশ্চিত কৰি। খেতিয়কৰ বাবে প্ৰত্যেক বছৰে আমি এখন পৃথক "কিছান বাজেট" উত্থাপন কৰিম। লগতে এখন স্থায়ী কৃষি বিকাশ আৰু পৰিকল্পনা সম্পৰ্কীয় ৰাষ্ট্ৰীয় আয়োগ গঠন কৰিম।

## 4 সাৰ্বজনীন স্বাস্থ্যসেৱা

কংগ্ৰেছ দলে সকলোৰে বাবে স্বাস্থ্যসেৱাৰ অধিকাৰ অধিনিয়ম প্ৰণয়ন কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। ৰাজহুৱা চিকিৎসালয়সমূহ আৰু তালিকাবদ্ধ ব্যক্তিগত চিকিৎসালয়সমূহৰ নেটৱৰ্কৰ জৰিয়তে দেশৰ প্ৰতিজন নাগৰিকৰ বাবে বিনামূলীয়া ৰোগনিদান সুবিধা, বহিৰ্বিভাগৰ যত্ন, বিনামূলীয়া ঔষধ আৰু চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ সুবিধাসমূহ সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিছে। আমি ২০২৩-২৪ চনৰ ভিতৰত স্বাস্থ্যসেৱাৰ শিতানত হোৱা ব্যয় দুগুণ বৃদ্ধি কৰি দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ (GDP) ৩ শতাংশ কৰিম।

## 5 সামগ্ৰী আৰু সেৱা কৰ (GST) ২.0

এটা একক মধ্যমীয়া কৰৰ হাৰ, ৰপ্তানিৰ বাবে শূন্য ৰেটিং, আৰু অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱাসমূহক কৰৰপৰা অব্যাহতি দি কংগ্ৰেছে GST ব্যৱস্থাৰ এটা বৈপ্লৱিক সৰলীকৰণ কৰিব, পঞ্চায়ত তথা পৌৰ-নিকায়সমূহক GST ৰাজহৰ এটা অংশ দিয়া হ'ব বুলিও প্ৰতিশ্ৰুতি দিছে।

## 6 সশস্ত্ৰ বাহিনীসমূহ আৰু অৰ্দ্ধ-সামৰিক বাহিনীসমূহ

প্ৰতিৰক্ষা শিতানত হোৱা ব্যয় ক্ৰমাৎ হ্ৰাস কৰা NDA চৰকাৰৰ প্ৰৱণতাৰ পৰিবৰ্তে কংগ্ৰেছে সশস্ত্ৰ বাহিনীসমূহৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পৰাকৈ প্ৰতিৰক্ষা শিতানত হোৱা ব্যয় বৃদ্ধি কৰিব। এটা স্বচ্ছ পদ্ধতিৰে আমি সশস্ত্ৰ বাহিনীসমূহৰ সকলো ধৰণৰ আধুনিকীকৰণ কাৰ্য্যসূচী ত্বৰান্বিত কৰিম। আমাৰ অৰ্দ্ধ-সামৰিক বাহিনীসমূহ আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে সামাজিক সুৰক্ষা, শিক্ষা আৰু স্বাস্থ্য সুবিধাসমূহ উন্নতৰ কৰিম।

## 7 প্ৰতিটো শিশুৰ বাবে গুণমানসম্পন্ন শিক্ষা

ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহত প্ৰথম শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণীলৈকে বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। আমি বিশেষভাৱে গুৰুত্ব দিম শিক্ষন সম্পৰ্কীয় ফলাফলসমূহত। বিদ্যালয়সমূহত পৰ্য্যাপ্ত মাত্ৰাত বুনিয়াদী সা-সুবিধা আৰু অৰ্হতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰীৰ ব্যৱস্থা কৰা হ'ব। এই লক্ষ্যত উপনীত হ'বলৈ আমি ২০২৩-২৪ চনৰ ভিতৰতে শিক্ষা শিতানত দিয়া আবণ্টন দুগুণ বৃদ্ধি কৰি মুঠ ঘৰুৱা উৎপাদনৰ (GDP) ৬ শতাংশ কৰিম।

## 8 লিংগভিত্তিক ন্যায়

লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা-সম্বলিত "মহিলা আৰক্ষণ বিধেয়ক" সপ্তদশ লোকসভাৰ প্ৰথমখন অধিৱেশনতে অনুমোদন দিয়া হ'ব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। লগতে কেন্দ্ৰীয় চৰকাৰৰ খালী হৈ থকা আটাইবোৰ পদৰ ৩৩ শতাংশ মহিলাসকলৰ বাবে সংৰক্ষিত কৰিব।

## 9 আদিবাসীসকল

আমি আখৰে-আখৰে আৰু মৰ্মাৰ্থ অনুসাৰে বনাঞ্চল অধিকাৰ অধিনিয়ম, ২০০৬ কাৰ্য্যৰূপায়িত কৰিম আৰু অনুসূচীত জনজাতিসকলৰ বাবে এই অধিনিয়মৰ অধীনত নিশ্চয়তা প্ৰদান কৰা হোৱা অধিকাৰসমূহ সুনিশ্চিত কৰিম। বনাঞ্চলত বাস কৰি থকা কোনো লোকক অন্যায়ভাৱে উচ্ছেদ কৰা নহ'ব। অনা-কাঠ বনজ উৎপাদনৰ বাবে এখন ৰাষ্ট্ৰীয় আয়োগ গঠন কৰিম। আদিবাসী লোকসকলৰ জীৱিকা তথা আয়ৰ উন্নতিকল্পে আমি অনা-কাঠ বনজ উৎপাদনসমূহৰ (NTFP) বাবে ন্যূনতম সমৰ্থন মূল্য প্ৰদান কৰিম।

## 10 বাসভূমিৰ অধিকাৰ

এটা ঘৰ নথকা বা এটা ঘৰ সাজিব পৰাকৈ এটুকুৰা মাটি নথকা প্ৰতিটো গ্ৰামীণ পৰিয়ালক এটুকুৰা মাটি প্ৰদান কৰিবলৈ আমি বাসভূমিৰ অধিকাৰ অধিনিয়ম প্ৰণয়ন কৰিম।

## 11 ঘৃণাপ্ৰসূত অপৰাধসমূহৰ সমাপ্তি

NDA চৰকাৰৰ অধীনত যোৱা ৫ টা বছৰত ঘৃণাপ্ৰসূত অপৰাধসমূহ আৰু সমাজৰ দুৰ্বল শ্ৰেণী লোকসকলৰ ওপৰত চলা নিৰ্যাতনৰ ঘটনা অনেকগুণে বৃদ্ধি পাইছে। এনে অপৰাধ কৰিও শাস্তিৰপৰা হাত সাৰিব পৰা যায় বুলি গা কৰি উঠা ধাৰণা মষিমূৰ কৰা হ'ব। উচ্ছৃংখল জনতাৰদ্বাৰা সংঘটিত হিংসা আৰু গণপ্ৰহাৰেৰে বেআইনীভাৱে কাৰোবাক হত্যা কৰাৰ ঘটনা নোহোৱা কৰিবলৈ আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি, মহিলা আৰু সংখ্যালঘুসকলৰ বিৰুদ্ধে সংঘটিত নিৰ্যাতন তথা ঘৃণাপ্ৰসূত অপৰাধ প্ৰতিহত কৰিবলৈ কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। উপদ্ৰৱ, উচ্ছৃংখল জনতাৰদ্বাৰা সংঘটিত হিংসা আৰু ঘৃণাপ্ৰসূত অপৰাধসমূহত আওকণীয়া মনোভাৱ লোৱা বুলি প্ৰমাণ পোৱা পুলিচ আৰু জিলা প্ৰশাসনক কংগ্ৰেছে জবাবদিহি কৰিব।

## 12 স্বাধীনতাৰ জয়গান

ভাৰতৰ সংবিধানত পৱিত্ৰ স্থান দখল কৰি থকা প্ৰমূল্যসমূহক সমৰ্থন দিব বুলি আৰু অসন্মতি প্ৰকাশৰ অধিকাৰকে ধৰি ৰাইজৰ স্বাধীনতাসমূহক সুৰক্ষা দিব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। কংগ্ৰেছে গোপনীয়তা বিষয়ক এখন আইন প্ৰণয়ন কৰিব। আধাৰ অধিনিয়মৰ পূৰণি উদ্দেশ্যসমূহতহে আধাৰৰ ব্যৱহাৰ সীমাবদ্ধ কৰিব। প্ৰতিজন নাগৰিকৰে বিশেষকৈ বিদ্যাৰ্থীসকল, সাংবাদিকসকল, শিক্ষাৰ্থীসকল, শিল্পীসকল, নাগৰিক সমাজৰ বাবে কাম কৰা লোকসকল আৰু বেচৰকাৰী সেৱা সংস্থাসমূহৰ অধিকাৰসমূহক সুৰক্ষা প্ৰদান কৰিব। কংগ্ৰেছে আটাইবোৰ আইনৰ পুনৰীক্ষণ কৰিব আৰু সেইসমূহ আইন বাতিল কৰিব যিবিলাক আওপুৰণি, ন্যায়বিৰুদ্ধ আৰু যিবিলাক অযুক্তিকৰভাৱে ৰাইজৰ স্বাধীনতাক ব্যাঘাত জন্মায়।

## 13 আমাৰ প্ৰতিষ্ঠানসমূহক সুৰক্ষা দিয়া

কংগ্ৰেছে আৰ.বি.আই, চি.বি.আই, ই.চি.আই, চি.আই,চি আদিকে ধৰি দেশৰ প্ৰধান প্ৰতিষ্ঠানসমূহৰ পুনৰুজ্জীৱিত কৰাৰ পূৰ্ণ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। এই প্ৰতিষ্ঠানসমূহক বিগত ৫ বছৰত উদ্দেশ্যপ্ৰণোদিতভাৱে একেবাৰে দুৰ্বল কৰি পেলোৱা হ'ল। কংগ্ৰেছে এই প্ৰতিষ্ঠান সমূহৰ মৰ্য্যদা কতৃত্ব আৰু স্বতন্ত্ৰতা পুনৰ প্ৰতিষ্ঠা কৰাৰ লগতে এই প্ৰতিষ্ঠানসমূহক সংসদৰ ওচৰত জবাবদিহি কৰিব। দেশত মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ স্বাৰ্থত এন.ডি.এ চৰকাৰে আৰম্ভ কৰা অস্বচ্ছ নিৰ্বাচনী বণ্ড ব্যৱস্থাৰ বিলুপ্তি ঘটোৱা হ'ব আৰু এক ৰাষ্ট্ৰীয় নিৰ্বাচন পুঁজি গঢ়ি তোলা হ'ব। যাৰ দ্বাৰা নিৰ্বাচনৰ সময়ত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহক পুঁজিৰ আৱন্টন দিয়া হ'ব।

## 14 চহৰসমূহ আৰু চহৰীয়া শাসন

নগৰ উন্নয়ন আৰু প্ৰশাসন, জীৱিকা, আবাসগৃহ, বসতিক্ষেত্ৰ, প্ৰদূষণ, জলবায়ু পৰিৱৰ্ত্তন, নগৰ পৰিবহণ আৰু দুৰ্য্যোগ ব্যৱস্থাপনাকে ধৰি আমাৰ নগৰ-মহানগৰসমূহে সন্মুখীন হোৱা সমস্যাৰাজিৰ সমাধানকল্পে নগৰীকৰণৰ এটা সৰ্বাত্মক নীতি গ্ৰহণ কৰা হ'ব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। চহৰীয়া দৰিদ্ৰ লোকসকলৰ বাবে আবাসগৃহ আৰু অন্যায়ভাৱে উচ্ছেদৰ বিৰুদ্ধে সুৰক্ষাৰ অধিকাৰ, আৰু এখন বস্তি অঞ্চল উন্নীতকৰণ তথা পৰিৱৰ্ত্তনৰ বাবে এখন আঁচনি গ্ৰহণৰ আমি প্ৰতিশ্ৰুতি দিছো। প্ৰত্যক্ষভাৱে নিৰ্বাচিত মেয়ৰৰ জৰিয়তে নগৰ-মহানগৰসমূহৰ বাবে আমি শাসনৰ এক নতুন আৰ্হি শুভাৰম্ভ কৰিম। চহৰসমূহক অৰ্থনৈতিক বিকাশৰ ইঞ্জিনলৈ আমি সলনি কৰিম।

## 15 পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্ত্তন

গোলকীয় উষ্ণতা বৃদ্ধিৰ বিৰুদ্ধে আৰু পৰিৱেশ সংৰক্ষণৰ বাবে চলি থকা সংগ্ৰামত ভাৰতবৰ্ষক বিশ্বত আগস্থান দিব পৰা এখন কৰ্মসূচী হাতত ল'ব বুলি কংগ্ৰেছে প্ৰতিশ্ৰুতি দিছে। এই কথাক আমি স্বীকৃতি দিওঁ যে বায়ু প্ৰদূষণ হ'ল এটা ৰাষ্ট্ৰীয় ৰাজহুৱা স্বাস্থ্য বিষয়ক জৰুৰী সংকট আৰু আমি ৰাষ্ট্ৰীয় পৰিষ্কাৰ বায়ু কাৰ্য্যসূচীক চকুতলগাকৈ শক্তিশালী কৰি তুলিম। বনাঞ্চল, বন্যপ্ৰাণী, জলাশয়সমূহ, নদ-নদী, পৰিষ্কাৰ বায়ু আৰু উপকূলীয় মণ্ডলসমূহ হ'ল ৰাইজৰ মালিকীস্বত্বত থকা মূল্যৱান ৰাষ্ট্ৰীয় সম্পদ আৰু আমি সেইবোৰৰ সুৰক্ষা দিম। আমি এটা স্বাধীন, সবলীকৃত আৰু স্বচ্ছ পৰিৱেশ সুৰক্ষা প্ৰাধিকৰণ গঠন কৰিম। বন বিভাগসমূহৰ ভূমিকা নতুনকৈ সংজ্ঞাবদ্ধ কৰিম আৰু আমাৰ বনাঞ্চলসমূহৰ সংবৰ্দ্ধন কৰিম।



“মই দিয়া প্ৰতিশ্ৰুতি কেতিয়াও মই ভংগ কৰা নাই”

— ৰাহুল গান্ধী

ভাৰতীয় জাতীয় কংগ্ৰেছ।